# 3 (Sem–3/CBCS) ASM–HG/RC

## 2022

( Honours Generic/Regular )

## ASSAMESE

Paper : ASM–HG/RC–3016

**( Asamiya Natak Aru Manchakala )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) অসমত প্ৰচলিত হৈ থকা প্ৰাচীনতম লোকনাট্য অনুষ্ঠানটো কি?

(খ) কুশানগানৰ গায়কজনক কি নামেৰে জনা যায়?

(গ) আৰিয়া কি?

(ঘ) পুতলানাচত পুতলা নচুওৱা শিল্পীগৰাকীক কি অভিধাৰে জনা যায়?

(ঙ) জাগৰ গীত কি?

(চ) কোনখন মহাকাব্যৰ আধাৰত 'দুৰ্গাবৰী গীত'ৰ জন্ম হৈছিল?

(ছ) বাৰেচহৰীয়া ভাওনা কোন ঠাইত অনুষ্ঠিত হয়?

(জ) মাবৈ পূজাত কি বিষয়ৰ গীত গোৱা হয়?

(ঝ) 'অসমীয়া নাট্য-সাহিত্যৰ জিলিঙনি' গ্ৰন্থখনৰ ৰচক কোন?

(ঞ) আংগিক অভিনয় মানে কি?

(ট) নাটকৰ 'আহাৰ্য' মানে কি?

(ঠ) লোকনাট্য অভিধাটোৰ এটা অৰ্থ লিখা।

(ড) 'জয়ঢুলীয়া' কি?

(ঢ) এৰ্চাৰ্ড আৰ্হিৰ অসমীয়া নাটক এখনৰ নাম লিখা।

(ণ) প্ৰথম অসমীয়া ভ্ৰাম্যমাণ থিয়েটাৰ দলৰ নাম লিখা।

(ত) বাচিক অভিনয় কি?

(থ) পুতলা নাচৰ সূত্ৰধাৰৰ কাম কি?

(দ) 'ৰামায়ণ'ৰ কাহিনীৰ আধাৰত গঢ় লোৱা ওজাপালিক কি নামেৰে জনা যায়?

২। তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) শংকৰদেৱৰ বিৰচিত দুখন অংকীয়ানাটৰ নাম লিখা।

(খ) দুখন অসমীয়া ভ্ৰাম্যমান নাটকৰ নাম লিখা।

(গ) নান্দী মানে কি?

(ঘ) ড০ ভবেন্দ্ৰনাথ শইকীয়া ৰচিত দুখন অনাতাঁৰ নাটকৰ নাম লিখা।





(ঙ) পুতলা নাচৰ পুতলা নিৰ্মাণ কৰা দুবিধ সমল পদাৰ্থৰ নাম লিখা।

(চ) চাৰি প্ৰকাৰ অভিনয়ৰ নাম উল্লেখ কৰা।

(ছ) পৰম্পৰাগত মঞ্চ আৰু প্ৰচেনিয়াম মঞ্চৰ দুটা পাৰ্থক্য লিখা।

(জ) চিত্ৰনাট্য কি?

(ঝ) নৃত্ত আৰু নৃত্যৰ দুটা পাৰ্থক্য লিখা।

(ঞ) মঞ্চনাটকত আলোকসম্পাতৰ প্ৰয়োজনীয়তা কি, লিখা।

৩। তলত দিয়াবোৰৰ বিষয়ে চমুকৈ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) প্ৰচেনিয়াম মঞ্চ

(খ) ওজাপালি

(গ) অংকীয়া নাটৰ সূত্ৰধাৰ

(ঘ) ভ্ৰাম্যমাণ নাট্যদল

(ঙ) ভাৱী গান

(চ) অনাতাঁৰ নাটক

(ছ) ছায়া পুতলা

(জ) অংকীয়া নাটৰ মুখা

৪। তলত দিয়া যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) লোক-জীৱনৰ সৈতে লোকনাট্যৰ সম্পৰ্ক বিচাৰ কৰি এটি আলোচনা দাঙি ধৰা।

(খ) নাটকত সংগীতৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা বিচাৰ কৰি অসমীয়া নাটকৰ সংগীত সম্পৰ্কে চমুকৈ বৰ্ণনা কৰা।

(গ) বিকল্প নাটক হিচাবে বাটৰ নাটৰ প্ৰাসঙ্গিকতা বিচাৰ কৰা।

(ঘ) 'লোকনাট্য হিচাবে পুতলা নাচ'—এই বিষয়ত তোমাৰ অভিমত দাঙি ধৰা।

(ঙ) নাটকৰ মঞ্চসজ্জা, সাজসজ্জা আৰু অংগসজ্জা সন্দৰ্ভত এটা ব্যাখ্যামূলক টোকা প্ৰস্তুত কৰা।

(চ) একাঙ্কিকা নাটকৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(ছ) আধুনিক নাটকৰ মঞ্চৰীতি সম্পৰ্কে এটা আলোচনা আগবঢ়োৱা।

(জ) 'এবচাৰ্ড' নাটক সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঝ) লোকজীৱনৰ সৈতে 'লোকনাট্য'ৰ সম্পৰ্ক বিচাৰ কৰা।

(ঞ) অভিনয়ৰ প্ৰকাৰভেদ চাৰিটা উল্লেখ কৰি এটি প্ৰবন্ধ যুগুত কৰা।

★★★